অধ্যায় ৮ ঃ সত্যনাথ বৰা ঃ 'জীৱনৰ অমিয়া'

অধ্যায় গাঁথনি

8.1 উদ্দেশ্য

8.2 পৰিচয়

8.3 সত্যনাথ বৰা

8.3.1 জীৱন আৰু ব্যক্তিত্ব

8.3.2 সত্যনাথ বৰাৰ সাহিত্য সম্ভাৰ

8.3.3 *চিন্তা-কলি*

8.4 মূল পাঠৰ বিষয়বস্তু

8.4.1 মানুহৰ শ্রেণী

8.4.2 কর্তব্যৰ মহত্ত্ব

8.5 সত্যনাথ বৰাৰ গদ্যৰীতি

8.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

8.7 অধিক জানিবলৈ

8.8 অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

8.9 আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- সত্যনাথ বৰাৰ জীৱন আৰু সাহিত্য সম্ভাৰৰ বিষয়ে আলোচনা কৰিব পাৰিব
- সত্যনাথ বৰাৰ ৰচনাকৃতিৰ প্রকৃতিৰ বিষয়ে অৱগত হ'ব
- পৃথিৱীৰ মানুহবোৰৰ স্বৰূপ কেনে ধৰণৰ, জীৱনত কর্তব্যৰ গুৰুত্ব আৰু প্রয়োজনীয়তা কি সেই সম্পর্কে বিশ্লেষণ কৰিব পাৰিব
- সত্যনাথ বৰাৰ গদ্যৰীতিৰ বৈশিষ্ট্যসমূহৰ বিষয়ে বিস্তৃতভাৱে জানিব পাৰিব।

৮.২ পৰিচয়

সত্যনাথ বৰাৰ 'জীৱনৰ অমিয়া' প্রবন্ধটো স্নাতকোত্তৰ অসমীয়া তৃতীয় ষাণ্মাসিকৰ অন্তর্গত প্রথম ঐচ্ছিক পাঠ্যবিষয়ৰ অষ্টম অধ্যায়। প্রবন্ধটো তেওঁৰ *চিন্তা-কলি* নামৰ পুথিখনত অন্তর্ভুক্ত আছে। জীৱনৰ প্রকৃত আনন্দ বা জীৱনৰ অমিয়া কেনেদৰে লাভ কৰিব পৰা যায় সেই কথা প্রবন্ধটোত তেওঁ ব্যাখ্যা কৰিছে। আনহাতে, মানুহে নিজৰ দোষ বা বদ অভ্যাসৰ বাবে কিদৰে জীৱনৰ সুখ-শান্তি হেৰুৱায় সেয়াও প্রবন্ধটোত তেওঁ আলোচনা কৰিছে।

৮.৩ সত্যনাথ বৰা

৮.৩.১ জীৱন আৰু ব্যক্তিত্ব

সত্যনাথ বৰাৰ জন্ম হৈছিল গুৱাহাটীৰ ভৰলুমুখত 1860 চনত। তেওঁৰ দেউতাক দয়াৰাম বৰা আৰু মাক আছিল অময়া বৰা। গুৱাহাটীৰ কটন কলেজিয়েট স্কুলৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত তেওঁ উচ্চ শিক্ষাৰ বাবে কলিকতালৈ যায়। 1886 চনত কলিকতাৰ চিটী কলেজৰপৰা বি.এ. পাছ কৰে আৰু কলিকতাতে আইনৰ শিক্ষা গ্ৰহণ কৰিবলৈ লয়। কলিকতাত থকা সময়তে তেওঁ *জোনাকী*ৰ সৈতেও জড়িত হৈছিল। 1889 চনত আইনৰ স্নাতক ডিগ্ৰী লৈ তেওঁ গুৱাহাটীলৈ উলটি আহে আৰু ওকালতি আৰম্ভ কৰে। ওকালতিৰ সমানে সেই সময়ত তেওঁ আৰ্ল ল কলেজত আইনৰ আৰু কটন কলেজত অসমীয়াৰ অধ্যাপনা কৰে। কলিকতাত থকা দিনতে কিছু সময়ৰ বাবে তেওঁ ফৰিদপুৰ জিলাৰ হিন্দু একাডেমী স্কুলত প্ৰধান শিক্ষক হিচাপে কাম কৰিছিল।

কলিকতাৰ পৰা *জোনাকী*ৰ প্ৰকাশ বন্ধ হোৱাৰ পিছত যেতিয়া গুৱাহাটীৰ পৰা আলোচনীখন প্ৰকাশ হ'বলৈ লৈছিল তেতিয়া 1901 চনৰ পৰা 1903 চনলৈ তেওঁ *জোনাকী*ৰ সম্পাদক আছিল। সত্যনাথ বৰা গহীন-গম্ভীৰ, চিন্তাশীল, শান্ত ব্যক্তিত্বৰ লোক। কিন্তু তেওঁ গানৰ অনুৰাগী। কলিকতাত 'ভ্ৰমৰঙ্গ' নাটকৰ অভিনয়ৰ সময়ত তেওঁ তাৰ গীত সংযোগত অংশ লৈছিল। তেওঁৰ গানৰ অধিকাংশই হাস্যৰসাত্মক।

সত্যনাথ বৰাৰ পত্নী আছিল কনকলাল বৰুৱাৰ ভনীয়েক ভুবনমোহিনী বৰা। পুত্ৰ হ'ল অম্বিকানাথ বৰা আৰু জ্ঞাননাথ বৰা। 1925 চনত সত্যনাথ বৰাৰ মৃত্যু হয়।

৮.৩.২ সত্যনাথ বৰাৰ সাহিত্য সম্ভাৰ

বিবিধ সৃষ্টিকৰ্মৰে আধুনিক অসমীয়া ভাষা-সাহিত্যৰ উন্নতিৰ বাবে অহোপুৰুষাৰ্থ চেষ্টা কৰা *জোনাকী*ৰ সময়ৰ লেখকসকলৰ ভিতৰত সত্যনাথ বৰাও এজন। কিন্তু ইয়াৰ মাজতো এক নিজস্ব চিন্তাৰে, নিজস্ব পথেৰে বাট বুলি সফলতাৰে থিয় দিব পৰাটোৰেই তেওঁৰ প্ৰধান কৃতিত্ব। সত্যনাথ বৰাই গীত আৰু কবিতাৰ জৰিয়তেহে প্ৰথম সাহিত্য জগতত প্ৰৱেশ কৰিছিল। ডেকা কালত তেওঁ গীতিকাৰ হিচাপেই খ্যাতি লাভ কৰিছিল। কিন্তু অসমীয়া সাহিত্যত তেওঁৰ যুগমীয়া স্থান কবিতা আৰু গীতৰ জৰিয়তে নহয়। এজন চিন্তাশীল প্ৰবন্ধকাৰ আৰু ব্যাক�ৰণবিদ হিচাপেহে তেওঁ অসামান্য খ্যাতিৰ অধিকাৰী হয়।

জ্ঞানগৰ্ভ বস্তুনিষ্ঠ প্ৰবন্ধ সৃষ্টিকে লক্ষ্য কৰি লোৱা সত্যনাথ বৰাৰ ৰচনাৰাজি হৈছে—

গীতাৱলী ঃ গীতৰ পুথি

কামৰূপী গীত ঃ কামৰূপৰ কথিত ভাষাত লিখা গীতৰ পুথি।

সাহিত্য বিচাৰ ঃ সাহিত্য কলা বিষয়ক প্রবন্ধ

সাৰথি ঃ ভাবগধুৰ চিন্তামূলক প্রবন্ধ

আকাশ ৰহস্য ঃ জ্যোতির্বিজ্ঞান তথা বিজ্ঞানবিষয়ক পুথি

কেন্দ্রসভা ঃ ব্যঙ্গাত্মক আৰু চিন্তামূলক ৰচনা

চিন্তা-কলি ঃ চিন্তামূলক প্রবন্ধ

বহল-ব্যাকৰণ ঃ ব্যাকৰণ পুথি

সত্যনাথ বৰাই প্রথমে *আসাম বন্ধুৰ* পাতত সাহিত্য চর্চা কৰিছিল। আগলৈ *জোনাকী, ঊষা* আদিতো তেওঁ লিখামেলা কৰিছিল। সাহিত্য, বিজ্ঞান, বুৰঞ্জী আদি বিষয়ৰ প্রবন্ধৰ উপৰিও সেইসমূহৰ ভিতৰত কবিতাও আছিল। কিন্তু তেওঁৰ কবিতা পুথি প্রকাশিত নহ'ল। বৰাৰ কবিতাসমূহ প্রধানকৈ প্রকৃতি বিষয়ক।

সত্যনাথ বৰাৰ প্রথম প্রকাশিত গ্রন্থ হ'ল 28টা গীতৰ সঙ্কলন হ'ল *গীতাৱলী*। পুথিখন প্রকাশ পাইছিল 1888 চনত। আধুনিক অসমীয়া ভাষাত এইখন প্রথম গীতৰ সঙ্কলন। সত্যনাথ বৰাৰ আনখন গীতৰ পুথি হ'ল *কামৰূপীয়া লোকগীতৰ সঙ্কলন*। গীতসমূহ কামৰূপ জিলাৰ কথিত অসমীয়া ভাষাত ৰচিত।

বৰাৰ *কেন্দ্রসভা* পুথিখন এখন ব্যঙ্গাত্মক প্রবন্ধ পুথি। অসমীয়া ন-বোৱাৰী, অসমত স্ত্রী-শিক্ষা, অসমৰ জনসংখ্যা আদি বিষয়ক লৈ ৰচনা কৰা এইখন পুথি প্রকাশিত হৈছিল 1924 খৃষ্টাব্দত। পুথিখনত দুটা ভাগ আছে। প্রথম ভাগত কেন্দ্রসভা নামৰ এটি সংঘৰ বিভিন্ন অধিৱেশনৰ বাদানুবাদ আৰু আলোচনাৰ ভঙ্গীৰে ঊনবিংশ শতিকাৰ অসমীয়া সমাজৰ দোষ-ত্রুটিবোৰ দেখুৱাই দিবলৈ যত্ন কৰিছে। এই প্রবন্ধসমূহ *জোনাকীত* প্রথম ধাৰাবাহিকভাৱে প্রকাশ হৈছিল। দ্বিতীয় ভাগটো হ'ল সাতটা বিষয়ৰ সাতটা প্রবন্ধ বা ৰচনা। খ্যাতিমতী বুঢ়ী, সুখৰ আৰ্হি, জীৱনৰ ছয় ঋতু, ভকতীয়া ব্যাকৰণ, নতুন বছৰ, বিদ্যাধৰ বৰকাকতীৰ ফাকুৱা, বৰদৈচিলাৰ উপাখ্যান শীর্ষক ৰচনাসমূহত তেওঁ প্রথম ভাগৰ দৰে অধিৱেশনৰ ভঙ্গী প্রয়োগ কৰা নাই।

*সাহিত্য-বিচাৰ*এখন সাহিত্য সমালোচনামূলক পুথি।1888 খৃষ্টাব্দত প্রকাশিত গ্রন্থখন অসমীয়া ভাষাত সাহিত্য কলা বিষয়ক প্রথম প্রবন্ধৰ পুথি। ইয়াত তেওঁ সাহিত্যৰ বিভিন্ন ভাগসমূহৰ গঠনগত দিশৰ আলোচনা কৰিছে। সাহিত্যৰ সাধাৰণ লক্ষণ, নাটক, পদ্য, চম্পূ, গীত, গদ্য আদি বিষয়ক লৈ মৌলিক সমালোচনাত্মক দৃষ্টিভঙ্গীৰে তেওঁ পুথিখন ৰচনা কৰিছে। প্রবন্ধসমূহৰ কিছুমান কথা আজিৰ সময়ৰ পৰিপ্রেক্ষিতত প্রাসঙ্গিক নহ'লেও বহু কথা এতিয়াও যথেষ্ট গুৰুত্বপূর্ণ আৰু অনুসৰণযোগ্য। *সাহিত্য-বিচাৰ* অসমীয়া সাহিত্য সমালোচনাৰ ভেটিস্বৰূপ।

সত্যনাথ বৰাৰ জীৱনৰ কীর্তিস্তম্ভ স্বৰূপ গ্রন্থ হ'ল— 'সাৰথি' আৰু 'চিন্তা-কলি'। 1911 খৃষ্টাব্দত *সাৰথি* কিতাপ হিচাপে প্রকাশ হ'লেও পুথিৰ প্রবন্ধসমূহ আগতেই *ঊষাত* প্রকাশ হৈছিল। *সাৰথিত* 34টা প্রবন্ধ আছে। চাৰিটা প্রধান ভাগ কৰি এই চুটি প্রবন্ধসমূহ

তেওঁ অন্তর্ভুক্ত কৰিছে। পুথিখনত মানুহৰ জীৱনৰ বাবে প্রয়োজনীয় —চিন্তা, চৰিত্র, দয়া, ক্রোধ, লোভ আদি বিভিন্ন বিষয় সম্পর্কে সাৰগর্ভ কথা প্রকাশ কৰিছে। চুটি আৰু সৰলভাৱে ৰচনা কৰা পুথিখনৰ প্রবন্ধসমূহৰ সৈতে ইংৰাজ গদ্য লিখক ফ্রান্সিছ বেকনৰ প্রবন্ধৰ যথেষ্ট মিল আছে। *আকাশ ৰহস্য* অসমীয়া ভাষাত ৰচিত প্রথম বিজ্ঞান বিষয়ক পুথি। সৰল গদ্যত ৰচনা কৰা পুথিখনত সৌৰজগতৰ উৎপত্তি, গ্রহ-নক্ষত্রৰ গতি নেজাল তৰা, পপীয়া তৰা, ধুমকেতু আদি বিষয়ৰ আলোচনামূলক প্রবন্ধ আছে।Âó

1925 চনত প্রকাশ হোৱা *বহল ব্যাকৰণ* অসমীয়া ব্যাকৰণ পুথিসমূহৰ ভিতৰত এক উজ্বল সৃষ্টি। ভাষাৰ ওজা হেমচন্দ্র বৰুৱাই অসমীয়া ভাষাত অসমীয়া ভাষাৰ প্রথমখন ব্যাকৰণ ৰচনা কৰাৰ পিছত পাঠ্যপুথি হিচাপে আনকেইখনমান ব্যাকৰণ ৰচিত হৈছিল যদিও হেমচন্দ্র বৰুৱাৰ পিছত সত্যনাথ বৰাৰ *বহল ব্যাকৰণ*কে 'অসমীয়া ব্যাকৰণৰ দ্বিতীয় আৰু অধিকতৰ উজ্বল মাইলৰ খুঁটি' বুলি কোৱা হয়। পৰৱর্তী সময়ত ৰচনা কৰা অসমীয়া ভাষাৰ বহুতো ব্যাকৰণৰে ভিত্তি হ'ল হেমচন্দ্র বৰুৱা আৰু সত্যনাথ বৰাৰ ব্যাকৰণ। ব্যাকৰণখনৰ কিছুমান বিষয় পৰৱর্তী সময়ত গ্রহণযোগ্য হৈ থকা নাই। কিন্তু কাৰক, সমাস, অব্যয় আদিৰ আলোচনাৰ বাবে *বহল ব্যাকৰণ* আজিও গ্রহণযোগ্য আৰু আদর্শ পুথি হৈয়ে আছে। অসমীয়া ব্যাকৰণৰ ইতিহাসত পুথিখন নিঃসন্দেহে অতি উচ্চ স্থানৰ অধিকাৰী।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ সত্যনাথ বৰাৰ সাহিত্য সম্ভাৰৰ বিষয়ে এটি প্রবন্ধ লিখক। (150টা শব্দৰ ভিতৰত)

৮.৩.৩ *চিন্তা-কলি*

সত্যনাথ বৰাই জীৱনৰ শেষ বয়সত *জোনাকী* আৰু *বাঁহী* আলোচনীত কিছুমান ভাবগধুৰ প্রবন্ধ লিখিছিল। তেওঁৰ মৃত্যুৰ পিছত সেই প্রবন্ধসমূহ *চিন্তা-কলি* নামেৰে গ্রন্থ হিচাপে প্রকাশ পায়। পুথিৰ পাতনিত পুত্র অম্বিকানাথ বৰা আৰু জ্ঞাননাথ বৰাই লিখিছে যে *চিন্তা-কলি* নামটো দেউতাকে জীৱিত অৱস্থাতে দিছিল। পিছত সেই নামেৰেই তেওঁলোকে পুথিখন প্রকাশ কৰিছে। 1935 খৃষ্টাব্দত *চিন্তা-কলি* প্রকাশ হৈছিল। *চিন্তা-কলি* সত্যনাথ বৰাৰ জীৱনৰ কীর্তিস্তম্ভ। ইয়াৰ প্রবন্ধসমূহ হ'ল— সংসাৰ প্রৱাহ, মানৰ মহত্ত্ব, জীৱনৰ অমিয়া, 'আহুকাল' প্রথম খণ্ড, দ্বিতীয় খণ্ড, তৃতীয় খণ্ড, সুমৰণ, সন্ত মই আৰু দুষ্ট মই, জীৱনৰ শান্তি পর্ব। বহুবল্কী, অৰিয়া-অৰি, গালি হ'ল তিনিখন চুটি ৰচনা। *চিন্তা-কলি*ৰ প্রবন্ধসমূহ লিখকৰ জীৱনবোধ আৰু গভীৰ চিন্তাৰ ফচল।



জানি থোৱা ভাল

সত্যনাথ বৰাৰ *গীতাৱলী* যেনেকৈ আধুনিক অসমীয়া ভাষাত প্ৰথম গীতৰ পুথি, *সাহিত্য-বিচাৰ* যেনেকৈ প্ৰথম সাহিত্য-তত্ত্বৰ পুথি, *আকাশ-ৰহস্য* তেনেকৈ অসমীয়া ভাষাত প্ৰথম জ্যোতিৰ্বিজ্ঞান তথা বিজ্ঞানবিষয়ক পুথি।

৮.৪ মূল পাঠৰ বিষয়বস্তু

'জীৱনৰ অমিয়া' সত্যনাথ বৰাৰ এটা চিন্তামূলক প্ৰবন্ধ। জীৱন সম্পৰ্কীয় লিখকৰ মৌলিক দৃষ্টিভঙ্গী প্ৰবন্ধটোৱে স্পষ্টকৈ তুলি ধৰিছে। মানুহৰ নিজৰ কাম আৰু চিন্তাৰ ওপৰতে জীৱনৰ আনন্দ আৰু সুখ নিৰ্ভৰ কৰে। কি কৰিলে জীৱন আনন্দময় হয়, মানুহে নিজৰ দোষত জীৱন কিদৰে বিষাক্ত কৰি তোলে এই সকলোবোৰ কথা প্ৰবন্ধটোত সন্নিৱিষ্ট হৈছে। কৰ্তব্য পালনেই জীৱনক সুন্দৰ কৰাৰ মূলমন্ত্ৰ —এয়াই হৈছে সমগ্ৰ প্ৰবন্ধটোৰ মূল প্ৰতিপাদ্য বিষয়।

৮.৪.১ মানুহৰ শ্ৰেণী

পৃথিৱীত তিনিশ্ৰেণীৰ মানুহ আছে। সেইসমূহ হ'ল—

ক) দুখগ্ৰাহী— জীৱনৰ অৰ্থ নুবুজি কেৱল দুখকে সাৰ বুলি ভবা মানুহ।

খ) সুখগ্ৰাহী— সংসাৰৰ প্ৰকৃত মৰ্ম উপলব্ধিৰে সুখ সংগ্ৰহ কৰি জীৱনক আনন্দময় কৰি তোলা মানুহ।

গ) আত্মচেতনাহীন মানুহ— কৰ্তব্য-অকৰ্তব্যৰ বোধ নথকা আত্মচেতনাহীন মানুহ।

প্ৰতিবিধ মানুহৰ প্ৰকৃতি তলত আলোচনা কৰা হ'ল—

ক) দুখগ্ৰাহী ঃ জীৱনৰ অৰ্থ নুবুজি কেৱল দুখকে সাৰ বুলি ভবা মানুহ—পৃথিৱীৰ এক শ্ৰেণীৰ মানুহৰ মুখ সদায় বেজাৰৰ কলীয়া ডাৱৰে আৱৰি ৰাখে। কোনো বস্তুতেই তেওঁলোকে সুখ বিচাৰি নাপায়। দুখ তেওঁলোকৰ বাবে প্ৰাণস্বৰূপ। তেওঁলোকৰ দৃষ্টিত সকলো সুখেই মিছা বা ভুৱা। প্ৰকৃতিৰ অপৰূপ সৌন্দৰ্য, যেনে— ফুলৰ লাৱণ্য, মলয়াৰ প্ৰশান্তি আদিৰ মাজত তেওঁলোকে আনন্দৰ সমল বিচাৰি নাপায়। পুত্ৰ-কন্যা আদি আপোনসকল তেওঁলোকৰ বাবে অৰ্থহীন। আনন্দ উৎসৱ অৰ্থহীন। গীতৰ সুমধুৰ সুৰে তেওঁলোকক সুখ দিব নোৱাৰে। হাঁহিৰ ধ্বনি, গীতৰ লয় সকলো তেওঁলোকৰ বাবে কঠুৱা বস্তু। নিজে জীৱনত সুখ বুটলিব নজনাৰ বাবেই সুখ-আনন্দৰে জীয়াই থকা আন সকলকো তেওঁলোকে ভাল বুলিব নোৱাৰে। এই শ্ৰেণীৰ মানুহৰ বাবে সংসাৰ নানা দুখ-যন্ত্ৰণাৰ থলীৰ বাহিৰে আন একো নহয়। তেওঁলোকে পৃথিৱীখনক বন্দীশাল আৰু জীৱনটোক বন্দীশালত পোৱা শাস্তি বুলিহে ভাবে। এইবোৰ মানুহ নিজেই নিজৰ শত্ৰুতো হয়েই, এওঁলোকে আনৰো

অপকাৰ কৰে। কাৰণ এনে মানুহৰ লগত থাকিলে তেওঁলোকৰ অসুখী প্ৰবৃত্তি আনলৈয়ো যায়। ঘৰখনতো বাদেই ওচৰ চুবুৰীয়াকো আনকি এনে কুপ্ৰবৃত্তিয়ে প্ৰভাৱিত কৰিব পাৰে। অনবৰতে অসন্তুষ্টিত ভোগা এনে মানুহ জীৱনৰ অমৃতস্বৰূপ আনন্দ উপভোগৰ পৰা বঞ্চিত হয়। জীৱনৰ অমিয়া কি এওঁলোকে কোনোদিনেই উপলব্ধি নকৰে। দুখগ্ৰাহী এই মানুহবোৰ অমঙ্গলৰ ডাৰৰ। মৌ পোকতকৈয়ো অধম এইবোৰ মানুহৰ বাবে দুখ-বেজাৰ-দুঃশ্চিন্তাৰ বাবে ডাঙৰ কাৰণ নেলাগে। যিকোনো কথাতে আপোনাআপুনি সিহঁতৰ মনত দুখ-দুশ্চিন্তাই বাহ লয়। সাধাৰণ মৌ পোক একোটায়ো কাঁইটীয়া ফুল-বনৰ মাজত সোমাই তাৰ পৰা ফুলৰ মৌখিনি সংগ্ৰহ কৰে। এই ধৰণৰ মানুহে মানুহ হোৱাৰ পিছতো সংসাৰ কাঁইটনিৰ পৰা মৌ বুটলিব নাজানে। আকাশৰ চৰাই, পানীৰ মাছ আদি জীৱয়ো জীয়াই থকা কালত আনন্দ কৰে, সুখেৰে থাকে, জীৱনটো উপভোগ কৰে। কিন্তু মানুহ হৈয়োঅধম এই শ্ৰেণীৰ মানুহে জীৱনৰ আনন্দ ল'ব নাজানে। জীৱনটো উপভোগ নকৰে।

খ) **সুখগ্ৰাহী ঃ** সংসাৰৰ প্ৰকৃত মৰ্ম উপলব্ধিৰে সুখ সংগ্ৰহ কৰি জীৱনক আনন্দময় কৰি তোলা মানুহ— এই শ্ৰেণীৰ মানুহৰ বাবে আনন্দই জীৱন। দুখকো সুখলৈ পৰিৱৰ্তন কৰিব পৰা বাবে এইসকল মানুহৰ মুখ সদায়েই উজ্বল, পোহৰ। তেওঁলোকৰ চকু-মুখত সদায়েই আনন্দ আৰু সুখৰ ভাবে খেলা কৰে। বেজাৰে এওঁলোকক বশীভূত কৰিব নোৱাৰে। সংসাৰৰ সকলো দুখ, যন্ত্ৰণা, সমস্যাক তেওঁলোকে ক্ষন্তেকীয়া বুলি গ্ৰহণ কৰে। এই শ্ৰেণীৰ মানুহ পৃথিৱীৰ মঙ্গলমলয়া, মঙ্গল অৰুণ। এওঁলোকে জীৱনৰ দুখৰ মাজৰ পৰা সুখ বুটলিব জানে, বেদনাক আনন্দলৈ ৰূপান্তৰিত কৰিব পাৰে। সেয়েহে এনে মানুহৰ লগত থকা সকললৈকো সেই সুখ প্ৰসাৰিত হয়। অৰ্থাৎ এওঁলোকে নিজে জীৱনৰ অমিয়া লোৱাৰ লগতে আনকো সন্তোষ দিয়ে। মহামন্ত্ৰ প্ৰয়োগ কৰি এইসকল মানুহে জীৱনৰ সকলো শঙ্কা, দুৰ্ভাৱনা, দুশ্চিন্তা নোহোৱা কৰে। কোনো ধৰণৰ দুখ-শোকক এই শ্ৰেণীৰ মানুহে প্ৰশ্ৰয় নিদিয়ে। জীৱনৰ অৰ্থ, তাৎপৰ্য এইসকলে ভালকৈ উপলব্ধি কৰে আৰু সেয়েহে জীৱনৰ পৰা অনৰ্থক যন্ত্ৰণা লোৱাতকৈ সুখ বুটলিবলৈ যত্ন কৰে। সংসাৰ এখন কাঁইটীয়া বন। ইয়াত চোৰাতৰ কোবো থাকে। কিন্তু সুখগ্ৰাহী লোকে এই কাঁইট-চোৰাতবোৰক নিজৰ শক্তিৰে ক্ষন্তেকীয়া কৰি তুলিব পাৰে। সেইবোৰকে ধিয়াই তেওঁলোকে জীৱনটো বিষময় নকৰে। সাধাৰণ প্ৰাণী একোটাই কৰাৰ দৰেই এওঁলোকে সকলো নিৰানন্দ বিনাশ কৰি জীৱনটো পোহৰ কৰি ৰাখে। এওঁলোক সুপুৰুষ।

গ) **আত্মচেতনাহীন মানুহ ঃ** এই শ্ৰেণীৰ লোকৰ কৰ্তব্য-অকৰ্তব্যৰ একো জ্ঞান নাই। ইহঁত আত্মসন্মানহীন মানুহ। পিতৃ-মাতৃ, পুত্ৰ-কন্যা দুখতেই আছে নে সুখতেই আছে সেইবোৰলৈ তেনে লোকৰ কোনো ভ্ৰূক্ষেপ নাই। আত্মীয়সকল, বন্ধু-বান্ধৱ আদিয়ে দুখত ককবকাই থাকিলেও তেনে মানুহৰ তালৈ কাণযাৰ নাই, দুখ মোচনৰ চেষ্টা

নাই। ভালকৈ পৰিয়ালক খুৱাব নোৱাৰিলে বা নিজে এসাজ খাবলৈ নাপালেও তেনে মানুহে ভ্রূক্ষেপ নকৰে। শাৰীৰিক শ্রম কৰি অর্থ উপাজন কৰাৰ চিন্তা এইবিলাকে নকৰে।নিজৰ উন্নতিৰ প্রতি সামান্যও সচেতন নহয়।সদাসর্বদা সিবিলাক আনন্দত কাল কটায়। মুখ সদায় পোহৰ। দুখৰ চাপ সিবিলাকৰ গাত দেখিবলৈ পোৱা নাযায়। কিন্তু ইয়াক প্রকৃত আনন্দ আখ্যা দিব নোৱাৰি।মানুহৰ উখহা বেমাৰক যিদৰে স্বাস্থ্য হোৱা বুলি নকয়, বলিয়াৰ আনন্দ বা হাঁহিকযিদৰে মানুহে সঁচা আনন্দ বুলি নকয় সেইদৰে এই শ্রেণীৰ মানুহৰ সুখ বা আনন্দকো প্রকৃত আনন্দ বা জীৱনৰ অমিয়াবুলিব নোৱাৰি। ইহঁতৰ লাজ, আত্মসন্মান একো নাই। মানুহ স্বাভাৱিক হৈ নাথাকিলে, অর্থাৎ মানসিকভাৱে বিকাৰগ্রস্ত হ'লে অকাৰণতে হাঁহে, অকাৰণতে কান্দে। আত্মবোধহীন এই শ্রেণীৰ মানুহ বিকাৰগ্রস্তৰ দৰেহে। কর্তব্য কি ইহঁতে নুবুজে। ইহঁত সদায়েই ধেমেলীয়া। সদায়েই ইহঁতৰ আনন্দ। অথচ পৰিয়ালো দুখত, সা-সম্পত্তিও ধ্বংসৰ গৰাহত।সেয়েহে ইহঁতৰ হাঁহি, আনন্দ বলিয়াৰ হাঁহিৰ বাহিৰে একো নহয়। এইশ্রেণীৰ মানুহ প্রকৃততে মানুহ নহয়। কাৰণ নিজৰ কর্তব্য অবিহনে কোনো মানুহেই মানুহ হ'ব নোৱাৰে।

৮.৪.২ কর্তব্যৰ মহত্ত্ব

কর্তব্য পালনেই হ'ল নিৰানন্দনাশী মহামন্ত্র। পশু-পক্ষী আদি প্রকৃতিৰ জীৱবোৰে সদায়েই আনন্দত থকাৰ মূলতে কর্তব্য। কর্তব্যত মগ্ন হ'লে জীৱনত দুখ-দুশ্চিন্তালৈ সময় নাথাকে। কর্তব্য হ'ল মহাগুৰু; যি মহাগুৰুত শৰণ ল'লে জীৱনৰ আনন্দ লাভৰ দীক্ষা পোৱা যায়। এইজন মহাগুৰুৰ আশ্রয়ত থাকিলে আনন্দৰ শত্রুবোৰ কায চপাৰ সুযোগ নাপাই দূৰতে বিনাশ হয়। কর্তব্য হ'ল দুর্জেয় অস্ত্র। এই অস্ত্রৰে মনৰ ডাৰৰ নিমিষতে খণ্ড খণ্ড কৰিব পাৰি। একোজন ব্যক্তিৰ বাবে, এখন বৃহৎ সমাজৰ বাবে আৰু সমগ্র বিশ্বব্রহ্মাণ্ডৰ বাবে মূল প্রয়োজন হ'ল কর্তব্য।

বিশ্বব্রহ্মাণ্ডত কর্তব্যৰ স্থান— কর্তব্য পালন বিশ্বব্রহ্মাণ্ডৰ মেৰুদণ্ড।ব্রহ্মাণ্ডৰ যিকোনো এটা উপাদানে একমুহূর্ত যদি কর্তব্যত হেলা কৰে তেন্তে অথন্তৰ নিশ্চিত। সমগ্র বিশ্ব সুকলমে চলি থকাৰ মূলতে হ'ল চন্দ্র, সূর্য্য, মেঘ, বায়ু, জুই, পানী, বতাহ, গ্রহ, নক্ষত্র সকলোৰেই নিজৰ কর্তব্য অনুসৰণ কৰাটো। ব্রহ্মাণ্ডৰ এই উপাদানবোৰৰ প্রত্যেকৰে নিজৰ কাম নির্দিষ্ট কৰা আছে। সেই অনুসৰিয়েই সকলোৱে কর্তব্যত নিয়োজিত হয়। সকলোৰে যৌথ শক্তিৰ বলত সমগ্র বিশ্ব সুকলমে চলে। ইয়াৰ যিকোনো এটাই এক লহমাৰ বাবেও যদি কর্তব্যলৈ পিঠি দিয়ে তেন্তে সকলো ধ্বংস হ'ব। যাদুকৰৰ যাদুৰ দৰে সকলো নিমিষতে নোহোৱা হ'ব। আকাশ, সাগৰ, পানী, বায়ু, ফুল, পাত, নদী, পাহাৰ সকলো নোহোৱা হ'ব। প্রকৃতিৰ গতি বন্ধ হোৱাৰ লগে লগে পৃথিৱীত বিজ্ঞানী আৰু কবিসকলৰো আধাৰ নোহোৱা হ'ব। সকলো জীৱ-জন্তু, উদ্ভিদ আনকি

মানুহৰ জীৱনলীলাও সিমানতে অন্ত পৰিব। গতিকে কর্তব্য পালনেই হ'ল ব্রহ্মাণ্ডৰ উপাদানবোৰৰ প্রাণবায়ু। ইয়াৰ বিচ্যুতি ঘটিলে আনবোৰতো নোহোৱা হ'বই লগতে সিহঁত নিজেও ক্ষনিকতে বিলুপ্ত হ'ব।

প্রাণীজগতত কর্তব্যৰ স্থান— ব্রহ্মাণ্ডৰ গ্রহ-নক্ষত্র ৰ দৰেই প্রাণীজগতৰো মূল কথা হ'ল কর্তব্য পালন। পৃথিৱীৰ প্রতিটো প্রাণীৰে নিজৰ সুকীয়া কর্ম আছে। নিজৰ সেই কাম সকলোৱে যেতিয়ালৈকে কৰি থাকে তেতিয়ালৈকে সকলো সুকলমে চলি থাকে। কর্তব্য পালনৰ জৰিয়তেই সকলো পৃথিৱীত বর্তি আছে। পশু-পক্ষী, কীট-পতঙ্গ সকলোৱেই কর্তব্য পালনৰ দ্বাৰা পৃথিৱীৰ সুখ উপভোগ কৰিছে। ইহঁতৰ কোনোবাই কর্তব্যত অনিয়ম কৰিলেই অথন্তৰ। একে কথা মানুহৰ সমাজখনৰ ক্ষেত্রতো প্রযোজ্য। মানুহৰ সমাজখন এটা যন্ত্র আৰু প্রতিজন মানুহ সেই যন্ত্রৰ এটা অঙ্গ। যিমান দিনলৈকে অঙ্গবোৰে নিজৰ নিজৰ কর্তব্য কৰি থাকে তেতিয়ালৈকে সংসাৰ যন্ত্রত একো অসুবিধা নহয়। যন্ত্রৰ এটা অঙ্গই কাম নকৰিলেও যিদৰে সমগ্র যন্ত্রটোৱেই অচল হয় সেইদৰে সমাজৰ এজন মানুহেও যদি কর্তব্যত খেলিমেলি কৰে তেন্তে সমাজত বেমেজালি হয়, সমাজৰ শৃঙ্খলাত আউল লাগে।

মানুহৰ কর্তব্য প্রধানকৈ দুবিধ। প্রথমবিধৰ ভিতৰত অন্তর্ভুক্ত কর্তব্যসমূহ হৈছে—

ক) সৎ হোৱা,

খ) জ্ঞান-বুদ্ধি উপার্জন কৰি নিজৰ উন্নতি আৰু আনৰ উপকাৰ কৰা,

গ) পিতৃ-মাতৃ, পুত্র-কন্যা আদি নিজৰ পৰিয়ালক পালন কৰা,

ঘ) ওচৰ চুবুৰীয়া বন্ধু-বান্ধৱ আদিক সহায় কৰা,

ঙ) হিংসা-কপট আদি ত্যাগ কৰি সকলোৰে সৈতে মিলিজুলি থকা।

এই কর্তব্যসমূহত কোনোবাই অৱহেলা কৰিলেই সমাজত শান্তি আৰু শৃঙ্খলা নাথাকে। সমাজৰ দ্বন্দ্ব, অশান্তি,ভয়, দৰিদ্রতা আদি সকলো অনর্থৰ মূল হ'ল কর্তব্যত অৱহেলা। এজনে কর্তব্যত খেলিমেলি কৰিলে তাৰ ফল আনেও ভোগে, তেওঁ নিজেও ভোগে। কর্তব্যত অৱহেলা কৰাজনে শেষত সংসাৰখন বিষময় দেখে আৰু জীৱনৰ সকলো আনন্দ হেৰুৱায়। যাৰ স্বভাৱ সৎ, যি নিজৰ কর্মত ত্রুটী নকৰে, যাৰ মনত হিংসা, কপট, অহঙ্কাৰ আদি কাঁইটীয়া লতাই শিপাব পৰা নাই, যি শ্রম কৰি নিজৰ উন্নতি আৰু আনৰ উপকাৰ সাধিছে তেওঁৰ মনত বেজাৰ অসন্তোষে বাহ ল'ব নোৱাৰে। তেওঁৰ মুখ সদায় উজ্বল আৰু সন্তোষেৰে ভৰা। তেওঁৰ কথা উৎসাহপূর্ণ।

সংসাৰ এখন যুদ্ধক্ষেত্র। এই যুদ্ধক্ষেত্রৰ প্রধান অস্ত্র হ'ল কর্তব্য পালন। এই অস্ত্রৰে যুদ্ধ কৰিলেই মানুহে যুদ্ধ জয় কৰি মহা আনন্দৰ গৰাকী হ'ব পাৰে। আনহাতে, যিসকলে যুদ্ধক্ষেত্রত সেই মহাস্ত্র ব্যৱহাৰ নকৰে তেওঁলোক যুদ্ধত হাৰে। তেতিয়া তেওঁলোকৰ মুখ আন্ধাৰ হয়। দুখ-বেজাৰেই তেনে মানুহৰ জীৱনৰ লগৰীয়া।

মানুহৰ দ্বিতীয়বিধ কর্তব্য হ'ল— পৰিমিতভাৱে শয়ন-ভোজন আদি কৰা।

প্রথমবিধ কর্তব্যত খেলিমেলি কৰিলে যিদৰে মানুহৰ মন-প্রাণত আউল লাগে, সেইদৰে দ্বিতীয়বিধ কর্তব্যত খেলিমেলি কৰিলে শৰীৰত আউল লাগে। দ্বিতীয়বিধ কর্ম ঠিকভাৱে নকৰিলে শৰীৰত ৰোগে বাহ বান্ধে। নিৰানন্দৰ এটা প্রধান উৎস হ'ল ৰোগ। ৰোগ হ'লে মানুহৰ স্বাস্থ্য নাথাকে। ভাল স্বাস্থ্য অবিহনে মানুহ কেতিয়াও সুখৰ গৰাকী নহয়। মানুহে শয়ন-ভোজনৰ কম-বেছি কৰি দেহত ৰোগ জন্মাই লয়। ৰুগীয়া দেহত কেতিয়াও আনন্দ নাথাকে। শৰীৰ আৰু মন দুয়োটা ঠিকভাৱে থাকিলেই আনন্দৰ উদ্ভৱ হয়। গতিকে আনন্দ অর্জনৰ পথ হ'ল কর্তব্য পালন।

কর্তব্য পালন জীৱনৰঅমিয়া প্রসবিনী। কর্তব্যবোধেই মনুষ্যত্ব। যাৰ এই বোধ নাই সি যথার্থতে মানুহ নহয়। কর্তব্যক অৱহেলা কৰাজন কেতিয়াও জীৱনৰ অমিয়াৰ গৰাকী হ'ব নোৱাৰে। জীৱনৰ অমিয়া লাভৰ একমাত্র পথ, একমাত্র মন্ত্র হ'ল কর্তব্য পালন।



জানি থোৱা ভাল

- কর্তব্য পালন জীৱনৰ অমিয়া লাভৰ একমাত্র পথ।
- পৃথিৱীত তিনি শ্রেণীৰ মানুহ আছে। দুখগ্রাহী, সুখগ্রাহী, আৰু আত্মচেতনাহীন মানুহ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ পৃথিৱীত কেনে ধৰণৰ কি কি শ্রেণীৰ মানুহ পোৱা যায়? প্রতিটো শ্রেণীৰে প্রকৃতি কেনে ধৰণৰ আলোচনা কৰক। (200টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৩ ঃ মনুষ্যৰ কর্তব্য কি বুজাই লিখক। (150টা শব্দৰ ভিতৰত)

প্রশ্ন নং ৪ ঃ "কর্তব্য পালন বিশ্বব্রহ্মাণ্ডৰ মেৰুদণ্ড"—কথাষাৰ বিশ্লেষণ কৰক। (150টা শব্দৰ ভিতৰত)

৮.৫ সত্যনাথ বৰাৰ গদ্যৰীতি

যিসকল সাহিত্যিকৰ হাতত অসমীয়া গদ্যই বিশেষ সমৃদ্ধি আৰু পৰিপুষ্টি লাভ কৰিলে তেওঁলোকৰ ভিতৰত অন্যতম হ'ল সত্যনাথ বৰা।এক বস্তুনিষ্ঠ, সংহত গদ্যশৈলীৰে তেওঁ অসমীয়া গদ্যক নতুন মাত্রা প্রদান কৰিলে। সচেতনভাবে আধুনিক অসমীয়া গদ্যৰীতিৰ উৎকর্ষ সাধনেৰে ইয়াক নির্দিষ্ট গঢ় দিবলৈ চেষ্টা কৰা সাহিত্যিকসকলৰ ভিতৰত সত্যনাথ বৰাক বাটকটীয়া বুলিব পাৰি। বৰাৰ সাহিত্য সম্ভাৰৰ জৰিয়তে অসমীয়া সাহিত্যত পূর্বতে নথকা এক সংহত, পৰিমিত,

জতুৱা গদ্যশৈলী স্পষ্টৰূপত গঢ় লৈ উঠিছে। সত্যনাথ বৰাৰ গদ্যৰীতিৰ বৈশিষ্ট্যসমূহ তলত আলোচনা কৰা হ'ল—

- **শব্দচয়ন ঃ** সত্যনাথ বৰাৰ গদ্যত অসমীয়া ভাষাৰ নিভাঁজ জতুৱা শব্দৰ প্ৰাধান্য অধিক। অৱশ্যে তৎসম, অৰ্দ্ধতৎসম আৰু দুই এটা ইংৰাজী শব্দও মাজে মাজে ব্যৱহাৰ কৰিছে। কিন্তু অধিক ক্ষেত্ৰতে বৰাই সচেতনভাৱেই ইংৰাজী আৰু তৎসম শব্দ পৰিহাৰ কৰা পৰিলক্ষিত হয়। তদুপৰি তেওঁৰ গদ্যত এনে কেতবোৰ অসমীয়া শব্দৰ ব্যৱহাৰ আছে যিবোৰ বৰ্তমান অপ্ৰচলিত আৰু সাধাৰণ পাঠকৰ বাবে অৰ্থ বুজিবলৈকো কঠিন। তেওঁ কেতিয়াবা নিজাকৈ সৃষ্টি কৰা দুই এটা শব্দও গদ্যত ব্যৱহাৰ কৰা দেখা গৈছে। সত্যনাথ বৰাৰ গদ্যত ব্যৱহৃত বিভিন্ন শব্দৰ উদাহৰণ দাঙি ধৰা হ'ল—
  - **তৎসম শব্দ ঃ** অগ্নি, চক্ৰ, গৃহ, স্ত্ৰী, ক্ৰোধ, শুভ্ৰ, কৃপা, দগ্ধ, অগ্নিকুণ্ড, কৰ্ম, মৰ্ম, শ্ৰেয়স, কণ্টক, আলয়, কন্যা, তৃণ,লতা, গুপ্ত,নভোমণ্ডল, হুতাশন, ক্লেশ, ভূমণ্ডল।
  - **অৰ্দ্ধতৎসম শব্দ ঃ** যতন, জনম, ভগন, হৰিষ, দইন।
  - **ইংৰাজী শব্দ ঃ** ৰিপোৰ্ট, ইঞ্জিন, মাষ্টৰ, ফেল, বেঞ্চ, প্ৰমোচন, টেলিগ্ৰাফ।
  - **তদ্ভৱ শব্দ ঃ** জোনাক, জুই, ভঁৰাল, হাতী।
  - **অনুৰূপ আৰু যুৰীয়া শব্দ ঃ** অৰিয়া-অৰি, দেহে-কেহে, ছেগা-চোৰোকা, ঢলং-পলং, ঠেহেৰা-ঠেহেৰি, দিহিঙে-দিপাঙে, আঁতি-গুৰি, ওফন্দা-ওফন্দি, উগুল-থুগুল, টেটন-টামন, চেলেং-পেতেং, হৰিল-গৰিল, গেৰেউ-গেথেউ, ওৰ-খয়, চাটি-ফুটি, লাকটি-পাকটি, ওচ-মোচ।
  - **অপ্ৰচলিত জতুৱা শব্দ ঃ** লালসী, ধৈয়ালী, আপদাহ, ঢিমা, নিমতলীয়া, পাটন, দীপশলা, উৰি-আপ্ৰাণী, কালিয়নে, ভৰকাল, গৰুৱালি, ওৰসাং, আপালি, চভিয়া, এপাহ মাৰ, আসাদন, তেবাহি, আওকালি, নিহতুৱা, ওপঙতীয়া, আমঠ, লোলা, বাণিফটা, টটঙ্গা, ওখল, নিৰুজ, হেঁপেহুৱা, গহৰি, মূঢ়ালি, কেৱাৰ কৰা, উচাল, চিদাংকৈ, এখেৰ।
  - **নিভাঁজ জতুৱা শব্দ ঃ** ঠিহাই, টোটক লগোৱা, অকাজভাগী, অবালচন্দ, আলাবাদু, ভূৰ্ভং নাই, টামটিঙালী,মঠঙা, বন্ধুৱা থোৱা, নেওচন দিয়া, কুন্ধচালি, ভৰক, টাটৰি, ললাট, ফাকটি, ওৱাদানি, ঠেৰেঙা, চহনি, আৰি মৰা, আধানাৰ্জি, অতপালি, ভাও, ছাট, ধাউতি, কট্‌কিনা, ভোটোহা, আলজাল, চৌঠেঙীয়া।

  তদুপৰি সত্যনাথ বৰাৰ গদ্যত নিৰন্তৰে, পশিব আদি পুৰণি শব্দ; খাস্তাং, তামোল-ছালি, শাঁতিৰে থকা, দুই-চাইটা, বিয়াকৰ্ণ আদি দৈনন্দিন জীৱনৰ সাধাৰণ কথা-বতৰাত ব্যৱহৃত কথিত আৰু অপভ্ৰংশ ৰূপবো প্ৰয়োগ লক্ষ্য কৰা যায়। কিন্তু সত্যনাথ বৰাৰ গদ্যৰ মূল অবয়ৱটো জঁতুৱা শব্দৰেহে নিৰ্মিত হৈছে। বৰাৰ গদ্য চিন্তামূলক আৰু ভাবগধুৰ। সেয়েহে গল্প, উপন্যাস আদি সৃষ্টিশীল সাহিত্যৰ দৰে ইয়াত ব্যঞ্জনাভৰা শব্দৰ প্ৰয়োগ বিশেষ নাই। পোনপটীয়া অৰ্থতে শব্দ ব্যৱহাৰ কৰি তেওঁ গদ্য ৰচনা কৰিছে। কেৱল ব্যঙ্গ বা কটাক্ষৰ বাবেহে কেতিয়াবা তেওঁ চাতুৰ্যপূৰ্ণভাৱে শব্দ ব্যৱহাৰ কৰিছে।

নিভাঁজ অসমীয়া শব্দকে আধাৰ কৰি গদ্যক জতু�ৰা ৰূপত গঢ়ি তোলা সত্যনাথ বৰাৰ শব্দ ব্যৱহাৰৰ অন্যতম বৈশিষ্ট্য হ'ল মিতব্যয়িতা। প্ৰয়োজনাধিকভাবে এটা শব্দও ব্যৱহাৰ নকৰা বাবে বৰাৰ গদ্য অতি সংহত, পৰিমিত আৰু নিটোল। তেওঁৰ গদ্যক অসমীয়া সাহিত্যত এক ব্যতিক্ৰম ৰূপত গঢ়ি তোলাৰ ক্ষেত্ৰত শব্দব্যৱহাৰৰ এই বৈশিষ্ট্যটোৰ ভূমিকাই অধিক। গদ্যত শব্দপ্ৰয়োগ ৰীতি সম্পৰ্কে সত্যনাথ বৰাৰ অভিমত হ'ল— "একে ঠাইতে কৰ্কশ আৰু মৃদু দুইও বিধ শব্দ ব্যৱহাৰ কৰিব নালাগে। যদি মৃদু অৰ্থাৎ কোমল শব্দ ব্যৱহাৰ কৰিব খোজাঁ, তেন্তে এনে ঠাইত সেই শব্দ লগোৱা উচিত, যে তাত যেন আগত বা পাছত এটাও কৰ্কশ শব্দ নাথাকে। কোমল আৰু কৰ্কশ শব্দ একে ঠাইতে লিখিলে ভাত আৰু হুটা চাউল মিহলোৱা যেন হয়।"

এই সূত্ৰ ৰক্ষা কৰিয়ে তেওঁ নিজেও গদ্যত শব্দ প্ৰয়োগ কৰিছে। যুক্তাক্ষৰী শব্দ ব্যৱহাৰ কৰা ঠাইত যুক্তাক্ষৰী শব্দ আৰু সৰল, কোমল শব্দ ব্যৱহাৰ কৰা ঠাইত শ্ৰুতিমধুৰ কোমল শব্দৰ প্ৰাধান্যৰে তেওঁ গদ্য ৰচনা কৰিছে। ভাবৰ পাৰ্থক্যভেদে "কোমল" আৰু "কৰ্কশ" শব্দৰ পাৰ্থক্য ৰাখি প্ৰয়োগ কৰা ৰীতিয়ে তেওঁৰ গদ্যৰ ভাব স্পষ্টৰূপত প্ৰকাশত সহায় কৰিছে।

- **বাক্যগঠন ঃ** সত্যনাথ বৰাৰ বাক্যৰীতিৰ প্ৰধান বৈশিষ্ট্য হ'ল জতু�ৰা ঠাঁচৰ প্ৰয়োগ। তেওঁৰ সকলোবোৰ লিখনিৰ বাক্যৰীতি নিভাঁজ জতুৰা ঠাঁচযুক্ত। এনে প্ৰয়োগে বৰাৰ সাহিত্যৰাজিক এক বিশেষ সৌন্দৰ্য আৰু মাধুৰ্য প্ৰদান কৰিছে। যেনে— 'মই সেই পাঁচশ সৰাধত খৰচ কৰিবলৈ হাক দিলোঁ, আৰু তেওঁৰ হাতে-কোচে যি আছে তাকে খৰচ কৰি কোনোমতে অনুষ্টুপীয়াৰূপে মুখৰ ছাই ফেৰা গুচাবলৈ দিহা দিলোঁ।'

এনেদৰে সত্যনাথ বৰাৰ গদ্যৰ মূল ভেটিটো নিভাঁজ জতুৰা ভঙ্গিমাৰ ওপৰত ভিত্তি কৰিয়ে গঢ় লৈছে। তেওঁৰ ৰচনাত উৎসেনদী হৈ থকা জতুৰা খণ্ডবাক্য আৰু বাক্যবোৰে অসমীয়া জাতি আৰু ভাষাৰ নিজস্ব স্বৰূপ প্ৰকাশৰ লগতে লেখকৰ অসমীয়া ভাষাৰ প্ৰতি থকা দায়িত্ববোধ, ভাষা ব্যৱহাৰৰ দক্ষতা আৰু ৰুচি-অভিৰুচিবোৰ পৰিচয় বহন কৰিছে। 'টোটক লগাই ফুৰা', 'যমে শুধা ভাত খোৱা', 'বাউসিৰ বল', 'হাড় পকাইছে', 'চাঁচৰি কোবা' আদি খণ্ডবাক্যবোৰে বৰাৰ গদ্যক জাতে-পাতে জতুৰা কৰি গঢ়ি তুলিছে। সুদক্ষ লেখকসকলে বিভিন্ন ধৰণৰ বাক্য ব্যৱহাৰেৰে তেওঁলোকৰ গদ্যক মনোৰম কৰি তোলাৰ দৰে সত্যনাথ বৰাৰ গদ্যতো বাক্য ব্যৱহাৰৰ বৈচিত্ৰ্য লক্ষ্য কৰা যায়। তেওঁ ভাবৰ লগত সঙ্গতি ৰাখি পাতলীয়াকৈ কিছুমান বাক্য তৎসম শব্দৰ প্ৰাধান্যৰে ৰচনা কৰিছে। তদুপৰি তেওঁ সৰল, জটিল আৰু যৌগিক— এই তিনিওশ্ৰেণীৰ বাক্যৰে গদ্যক সুন্দৰভাৱে ভাবৰ উপযুক্ত বাহক ৰূপে গঢ়ি তুলিছে। তিনিও শ্ৰেণীৰ বাক্য ব্যৱহাৰ কৰিলেও সত্যনাথ বৰাৰ গদ্যৰ অধিকাংশ বাক্যই অৱশ্যে সৰল। যিকোনো ভাব বা বিষয়কে পোনপটীয়াভাবে সৰল বাক্যৰীতিৰে প্ৰকাশ কৰাত তেওঁৰ গদ্যই সাৱলীল ৰূপ পৰিগ্ৰহ কৰিছে। স্পষ্ট ভাব, চিন্তা আৰু ধাৰণাৰ বাবেহে ইয়াৰ প্ৰকাশো ইমান স্পষ্ট আৰু প্ৰাঞ্জল হৈ উঠিছে।

বৰাৰ গদ্যত প্ৰশ্নবোধক বাক্যৰো যথেষ্ট প্ৰয়োগ লক্ষ্য কৰা যায়। যিকোনো বিষয় সম্পৰ্কে মনত জাগি উঠা প্ৰশ্নক তেওঁ তেনে ৰূপেই গদ্যত সন্নিৱিষ্ট কৰিছে। প্ৰশ্নবোধক আৰু ভাববোধক বাক্যৰ সুন্দৰ প্ৰয়োগে তেওঁৰ গদ্যৰীতিক এক সৌন্দৰ্য প্ৰদান কৰিছে। লেখকৰ মনলৈ অহা অসীম অনন্ত প্ৰশ্নক তেনেভাৱেই তেওঁ গদ্যত প্ৰকাশ কৰি চিন্তা আৰু যুক্তিৰে তাৰ ব্যাখ্যা দাঙি ধৰিছে।গুৰু গম্ভীৰ বিষয়বস্তুৰ পৌনঃপৌনিকতাপূৰ্ণপ্ৰকাশৰীতিৰ পৰা আঁতৰি এনে কৌশল অৱলম্বন কৰাত তেওঁৰ গদ্যই পাঠকৰ মন যোগাবলৈ সক্ষম হৈছে। তদুপৰি ঠায়ে ঠায়ে ঘৰুৱা কথ্যভঙ্গীৰে বাক্য ৰচনা কৰি ভাব প্ৰকাশ কৰাত গদ্য ৰসাল আৰু স্বাভাৱিক হৈ উঠিছে।যেনে—"ভৈয়াই! এই আহুকাল মানুহৰ কেতিয়া যাব?"

বৰাৰ এনে বাক্যৰীতিত উজনি অসমৰ কথ্যৰীতিৰ প্ৰভাৱ স্পষ্ট। সত্যনাথ বৰাই বিষয়ভেদে 'পাচে', 'তেহে' আদি সাধাৰণ কথিত ভাষাত ব্যৱহৃত শব্দ ব্যৱহাৰ কৰি এক বিশিষ্ট ভঙ্গীৰ বাক্য ৰচনা কৰা দেখা গৈছে। এয়া তেওঁৰ নিজস্ব পাৰদৰ্শিতা আৰু অসমীয়া ভাষাৰ নিভাঁজ ঘৰুৱা ৰূপৰ সৈতে থকা একাত্মতাৰ পৰিচায়ক।

সত্যনাথ বৰাৰ গদ্যত ঘাইকৈ চুটি চুটি বাক্যৰ প্ৰাধান্যই অধিক। তেওঁৰ গদ্যৰ প্ৰতিটো সৰু সৰু বাক্যই একোটা ভাব বহন কৰে। ইংৰাজী বাক্যৰীতিৰ প্ৰভাৱৰ পৰা আতৰত থাকি চুটি চুটি বাক্যৰে বৰাই তেওঁৰ ৰচনাৰাজিৰ মাজেদি এক বিশিষ্ট গদ্যশৈলী গঢ়ি তুলিছে। তেওঁৰ সাহিত্যসমূহ ঘাইকৈ চিন্তামূলক, গুৰুগম্ভীৰ বিষয়ক কেন্দ্ৰ কৰি ৰচিত হ'লেও এনে বাক্যৰীতিয়ে বিষয়বস্তু পাঠকৰ সন্মুখত সহজবোধ্য আৰু সৰল ৰূপত দাঙি ধৰাত সহায় কৰিছে। তেওঁৰ বাক্যৰীতি পোনপটীয়া। সাধাৰণভাৱে কথা কোৱাৰ দৰে বাক্য ব্যৱহাৰ কৰিয়ে তেওঁ মন্তব্য প্ৰকাশ কৰিছে। এনে নিভাঁজ পোনপটীয়া বাক্যৰীতিয়েই হৈছে বৰাৰ গদ্যৰ মূল সৌন্দৰ্য।

- **অনুচ্ছেদ ঃ** অনুচ্ছেদ ৰচনাৰ ক্ষেত্ৰত প্ৰবন্ধলেখক হিচাপে সত্যনাথ বৰাৰ বিশেষ পাৰদৰ্শিতা লক্ষ্য কৰা যায়। তেওঁৰ বাক্যবোৰ যিদৰে চুটি আৰু সৰল সেইদৰে অনুচ্ছেদবোৰো এক আকৰ্ষণীয় দৈৰ্ঘ্যৰ। অতি দীঘল অনুচ্ছেদ তেওঁৰ কোনো ৰচনাতে বিচাৰি পোৱা নাযায়। তদুপৰি প্ৰতিটো অনুচ্ছেদে তেওঁৰ চিন্তা আৰু বক্তব্যৰ একোটা দিশ সুন্দৰভাবে উন্মোচিত কৰিছে। অনুচ্ছেদটোৰ মূল বক্তব্যটোৰ প্ৰতিপাদনৰ বাবেই আনবোৰ বাক্যৰ অন্তৰ্ভুক্তি। প্ৰতিটো বাক্যই অনুচ্ছেদটোৰ অবিচ্ছেদ্য অঙ্গ। উদাহৰণ স্বৰূপে, "পঢ়নৰ পৰা দূৰৈৰ মাণিক হাততে পোৱা যায়। আন আন দেশত থকা পণ্ডিতবিলাকেৰে সৈতে সাক্ষাৎ হোৱা বহুত খৰচ আৰু পৰিশ্ৰমৰ কথা, আৰু সাক্ষাৎ হ'ব পাৰিলেও, তেওঁলোকৰ মুখৰ পৰা বিদ্যা-শিক্ষা কৰা সকলোৰে পক্ষে সহজ নহয়। কিন্তু পুথিৰ পৰা সকলো দেশৰ পণ্ডিতবিলাকৰ সজ উপদেশ ঘৰত বহিয়েই পোৱা যায়। সেইদৰে আমি পৰলোকগামী পণ্ডিতবিলাকৰো বিদ্যা-বুদ্ধি তেওঁলোকৰ ৰচিত পুথি পাঠ কৰি অপ্ৰয়াসে লাভ কৰিব পাৰোঁ। সংসাৰত উদ্‌গতি কৰিবলৈ মানুহক মনৰ একাগ্ৰতা লাগে পঢ়নৰ পৰা সেই একাগ্ৰতা জন্মে।"

ওপৰৰ উদাহৰণটোৰ প্ৰথম অনুচ্ছেদৰ মূল বক্তব্যটো প্ৰথম বাক্যটোৰ মাজতে নিহিত হৈ আছে আৰু আনবোৰ বাক্যই সেই ভাবটিৰ আলমতে অনুচ্ছেদত ঠাই পাইছে। সেইদৰে পঢ়নৰ পৰা হোৱা বিস্তৰ লাভৰ প্ৰসঙ্গ টানিয়ে দ্বিতীয় অনুচ্ছেদৰো আৰম্ভণি। তদুপৰি তেওঁ অনুচ্ছেদৰ দৈৰ্ঘ্য সম্পৰ্কতো যে যথেষ্ট সতৰ্ক আছিল তাৰ প্ৰমাণ উল্লিখিত উদাহৰণটিৰ জৰিয়তে পোৱা যায়। সত্যনাথ বৰাই তেওঁৰ ৰচনাৰাজিত সাৰ্থক ভাবে অনুচ্ছেদৰ ব্যৱহাৰ কৰি তেওঁৰ গদ্যক এক সু-শৃংখলিত নিটোল ৰূপ প্ৰদান কৰিছে।

- **কূটচিহ্ন আৰু লয় ঃ** সত্যনাথ বৰাই অতি সহজ-সৰল ভাষাৰে বিষয়বস্তু উপস্থাপন কৰিবলৈ যাওঁতে ডাৰি (।), কমা (,) আৰু ছেমিকলনৰ (;) সাৰ্থক ব্যৱহাৰ কৰিছে। কিন্তু প্ৰয়োজনত প্ৰয়োগ কৰাৰ বাহিৰে এইবোৰৰ ব্যৱহাৰত তেওঁ চাতুৰ্যপূৰ্ণ কৌশল অৱলম্বন কৰা নাই। অৱশ্যে প্ৰশ্নবোধকৰ (?) যথেষ্ট প্ৰয়োগেৰে তেওঁ গদ্যক ঠায়ে ঠায়ে এক বিশেষ ভঙ্গীত সজাই তুলিছে।আনহাতে, বৰাৰ গদ্য অতি পোনপটীয়া আৰু অনাড়ম্বৰ যদিও ঠায়ে ঠায়ে স্বাভাৱিক আৰু সুন্দৰ ৰূপত লয় অনুৰণিত হৈছে। যেনে— "সংসাৰ বহুৰূপী। তাত যেনে বিষাদৰ বিননি আছে, তেনে আনন্দৰ কিৰিলিও আছে, বিপদৰ কাঁইটনি আছে, সম্পদৰ ফুলনি আছে। ই উত্তম আৰু অধমৰ মিলনভূমি, আনন্দ আৰু বিষাদৰ ওভতনি। ইয়াৰ এক দিশত হাহাকাৰ ৰোল, এক দিশত উৎসৱৰ জয়ঢোল শুনা যায়।

উল্লিখিত অনুচ্ছেদত লেখকে বৰ্ণনীয় বিষয়বস্তু পোনপটীয়াভাৱেই দাঙি ধৰিছে যদিও বাক্যকেইটাই বৈ বৈ এক অনুৰণন তুলিছে। চিন্তামূলক গদ্যকো এনেদৰে পাঠকক আহ্লাদ দিব পৰাকৈ ঠাই বিশেষে লয়যুক্ত ৰূপত গঢ়ি তুলিব পৰাটো বৰাৰ কুশলহস্ততাৰ পৰিচায়ক। কাৰণ ই তেওঁৰ বক্তব্যক আকৰ্ষণীয় আৰু ৰসপূৰ্ণ ৰূপত উপস্থাপনত সহায় কৰিছে। কিন্তু সামগ্ৰিকভাবে সত্যনাথ বৰাৰ গদ্য লয়যুক্ত নহয়; পৰিমিত আৰু স্বাভাৱিক গতিৰ বাক্যৰেহে তেওঁ গদ্যৰীতি গঢ়ি তুলিছে।

- **অলঙ্কাৰ ঃ** চিন্তামূলক গদ্যত অলঙ্কাৰ আৰোপ প্ৰতিভাধৰ লেখকৰ পক্ষেহে সম্ভৱ। অন্যথা বৰ্ণনীয় বিষয়বস্তু অস্পষ্ট হোৱাৰ লগতে ই ভাষাৰীতিকো কৃত্ৰিম কৰি তোলে। সত্যনাথ বৰা মূলতঃ চিন্তাশীল গদ্য লেখক। তেওঁৰ কেউখন পুথিৰে ৰচনাৰীতি গুৰুগম্ভীৰ বিষয়কেন্দ্ৰিক যদিও তেওঁ প্ৰায়বোৰ বিষয়কে বিভিন্ন উপমা প্ৰয়োগেৰে স্পষ্ট আৰু সৰল ৰূপত প্ৰকাশ কৰিছে। এনে উপমা, তুলনা আদিয়ে তেওঁৰ গদ্যক অপ্ৰয়োজনীয়ভাৱে ভাৰাক্ৰান্ত নকৰি পাঠকৰ বাবে আকৰ্ষণীয় আৰু সহজবোধ্যহে কৰি তুলিছে। তেওঁৰ গদ্যৰ পৰা উপমা আৰু তুলনা প্ৰয়োগৰ এটা উদাহৰণ দাঙি ধৰা হ'ল— "নন্দন কাননত যেনেকৈ দেৱতাসকলে অমৃত পান কৰি সকলো দুখ পাহৰে, সেইদৰে জ্ঞানী মানুহে সাহিত্য পঢ়ি বা সমালোচনা কৰি সংসাৰৰ চিন্তা পাহৰে আৰু পৰম হৰিষে কাল নিয়ায়।"

উপমাৰ উপৰিও তেওঁৰ গদ্যত ব্যৱহৃতঅন্যান্য অলঙ্কাৰৰউদাহৰণ দাঙি ধৰা হ'ল—

- **অনুপ্ৰাস ঃ** "ধৰ্ম্মৰ মৰ্ম্ম মানুহৰ মনত সুমাবলৈ নাটকতকৈ ভাল উপায় নাই।"

- **ৰূপক ঃ** "জ্ঞান-গঙ্গাৰ পৱিত্ৰ জলেৰে কুবৃত্তিৰ মলি পখালি তেওঁলোকে আপোন আপোন হৃদমন্দিৰ সদায় নিকা কৰি ৰাখিছিল।"
- **সমাসোক্তি ঃ** "বসন্তৰ উদ্ধতালিৰ পাছত হেমন্তৰ গহিনালি উপস্থিত হয়।"
- **বিভাৱনা ঃ** "মোৰ দেশত সূৰ্য্য নাই, তেও সদায় পোহৰ; চন্দ্ৰ নাই, তেও জোনাক; মলয়া নাই, তেও জুৰ; ফুল নাই তেও গোন্ধত আমোলমোল।"
- **সাৰ ঃ** "তেওঁৰ তিনি কুৰি সাত মেৰীয়া মন্ত্ৰণাত ৰাজপুত্ৰ ৰামচন্দ্ৰই ৰাজ্যভাৰ ল'বলৈ এৰি চকুৰ লো টুকি অৰণ্যলৈ ওলাই গৈছিল; বুঢ়া দশৰথ ৰজাই প্ৰাণ এৰিছিল, বুঢ়ী কৌশল্যাৰ বুকু ফাটিছিল।"

এনেদৰে বিভিন্ন অলঙ্কাৰৰ সহায়ত বৰ্ণনীয় বিষয় ৰমণীয়ভাৱে প্ৰকাশ কৰিলেও তেওঁৰ গদ্যত উপমা, ৰূপক আৰু অনুপ্ৰাসৰ বাহিৰে আন অলঙ্কাৰৰ প্ৰয়োগ কম। প্ৰতিখন পুথিতে আদিৰ পৰা অন্তলৈকে থকা নিভাঁজ সৰলতাই হ'ল তেওঁৰ গদ্যৰ প্ৰধান অলঙ্কাৰ।

- **ফকৰা-যোজনা, পটন্তৰ-প্ৰবচন ঃ** সত্যনাথ বৰাৰ গদ্যৰ এটি প্ৰধান বৈশিষ্ট্য হ'ল জতুৰা ঠাঁচযুক্ত ভাষা। এনে ভাষাৰীতিত বিবিধ ফকৰা, প্ৰবচন আদি সন্নিৱেশে তেওঁৰ গদ্যক আৰু বেছি ৰসাল আৰু মনোৰম কৰি তুলিছে। এইবোৰৰ সুন্দৰ আৰু সুকৌশলী প্ৰয়োগত তেওঁৰ গদ্য গহীন বিষয়ক হোৱা সত্ত্বেও সাধাৰণ পাঠকৰ বাবেও আকৰ্ষণীয় হৈছে। যেনে— "শাহু আয়ে নিজৰ সোঁ হাত বাওঁ হাত নিচিনে, কিন্তু বোৱাৰীৰ ওপৰত চোকা অধ্যাপক। মাছে গচকা আঞ্জা খাবা, শাহুৱে গচকা বোৱাৰী বাবা।"

ফকৰা, প্ৰবচন আদিত লগাই এনেদৰে জ্ঞানগভীৰ কথা প্ৰকাশ কৰা ৰীতিৰ জৰিয়তে তেওঁৰ দূৰদৃষ্টি, অসমীয়া ভাষা প্ৰয়োগৰ দক্ষতা আৰু নিভাঁজ ব্যক্তিত্বৰ পৰিচয় পোৱা যায়।

সত্যনাথ বৰাৰ গদ্য ৰচনা সংখ্যাত বেছি নহ'লেও তেওঁ ইয়াত বক্তব্য বিষয় পাঠকৰ আগত স্পষ্ট, আকৰ্ষণীয় আৰু প্ৰত্যয়জনক ৰূপত উপস্থাপন কৰিবলৈ গৈ বিভিন্ন ভঙ্গীৰ আশ্ৰয় লৈছে। ফলস্বৰূপে তেওঁৰ গদ্যৰীতি কেতিয়াবা বৰ্ণনামূলক, কেতিয়াবা নাটকীয়, কেতিয়াবা যুক্তিমূলক, কেতিয়াবা জ্ঞানজ্ঞাপক আৰু কেতিয়াবা চিন্তামূলক বা মননবিষয়ক। কিন্তু যি ধৰণৰে নহ'লেও অধিক ক্ষেত্ৰতে তেওঁ উকা গদ্যৰীতিৰে পোনপটীয়াভাবেই বক্তব্য প্ৰকাশ কৰিছে। তেওঁৰ গদ্য সদায়েই আড়ম্বৰবিহীন। কোনো কথা প্ৰকাশ কৰিবলৈ গৈ তেওঁ কেতিয়াও দীঘলীয়া পাতনি নেমেলে। সেয়েহে তেওঁৰ ৰচনাসমূহৰ আৰম্ভণিৰ পৰা শেষলৈকে প্ৰতিটো বাক্যই ৰচনাখনৰ অপৰিহাৰ্য অঙ্গ। কিন্তু পৰিমিত শব্দ আৰু আৰু বাক্য ব্যৱহাৰে তেওঁৰ গদ্যক ক'তো অস্পষ্ট বা জটিল কৰি তোলা নাই। এনে সংযমী লেখক সত্যনাথ বৰাৰ গদ্যৰীতিৰ এটা উল্লেখনীয় বৈশিষ্ট্য হ'ল বৰ্ণনাক্ষমতা। যিকোনো পৰিৱেশ, দৃশ্য আদিক তেওঁ তেওঁৰ সাহিত্যত অতি জীৱন্ত ৰূপত বৰ্ণনা কৰিবলৈ সক্ষম হৈছে। পৰিৱেশ একোটাৰ সাৰ্থক ৰূপায়ণ কৰিবলৈ গৈ তেওঁ কেতিয়াবা গদ্যত আবেগসিক্ত কাব্যিক ভাষাও ব্যৱহাৰ কৰিছে। প্ৰাকৃতিক পৰিবেশৰ আকৰ্ষণীয় চিত্ৰায়নৰ উপৰিও তেওঁৰ প্ৰকাশভঙ্গীত আন কিছুমান কৌশলো লক্ষ্য কৰা যায়। উদাহৰণ স্বৰূপে, *কেন্দ্ৰসভা*

পুথিখনিত তেওঁ একোখন সভা অনুষ্ঠিত কৰাৰ এনে সূক্ষ্মাতিসূক্ষ্ম বৰ্ণনা আগবঢ়াইছে যে গোটেই সভাখনৰ এটা দৃশ্য পাঠকৰ সন্মুখত চিত্ৰৱৎ ভাঁহি উঠে। পুথিখনত বিভিন্ন উপদেশাত্মক কথা সভাপতিৰ ভাষণৰ চলেৰে সন্নিবিষ্ট কৰাত ৰচনাসমূহ ৰসাল আৰু আকৰ্ষণীয় হৈ উঠিছে।

সত্যনাথ বৰাৰ গদ্যৰ আন এটা লেখত ল'বলগীয়া বৈশিষ্ট্য হ'ল ঠাইবিশেষে ব্যঙ্গাত্মক ৰীতিৰ সার্থক প্রয়োগ। কেৱল শব্দ আৰু বাক্যৰ চাতুর্যৰে হাস্যৰসৰ সৃষ্টি কৰাৰ উপৰিও প্রয়োজন বিশেষে নিজৰ অভীপ্সিত উদ্দেশ্য সিদ্ধি হোৱাকৈ ব্যঙ্গাত্মক ৰচনাভঙ্গীৰে তেওঁ সুন্দৰভাৱে বক্তব্য প্রকাশ কৰিছে। এনে ৰীতিয়ে পাঠকক এহাতে নির্মল হাঁহিৰ খোৰাক যোগাইছে, আনহাতে, সমাজ আৰু ব্যক্তি জীৱনৰ বাবে প্রয়োজনীয় গহীন বিষয়ৰ ইঙ্গিত বহন কৰিছে। এয়া গদ্য লেখক হিচাপে সত্যনাথ বৰাৰ কুশলহস্ততাৰ অন্যতম দিশ।

সত্যনাথ বৰাৰ সকলো ৰচনাই গহীন বিষয়ৰ আৰু চিন্তাসমৃদ্ধ যদিও তেওঁ জটিল, তাত্ত্বিক বিষয়সমূহো বিভিন্ন প্রসঙ্গ উত্থাপন, তুলনা প্রয়োগ আদিৰে সৰল ৰূপত দাঙি ধৰিছে। এনেদৰে নিজৰ ভাব, চিন্তা, বক্তব্য গদ্যৰ মাজেৰে প্রকাশ কৰিবলৈ গৈ বিভিন্ন ভঙ্গী গ্রহণ কৰাত বৰাৰ গদ্যৰ বিষয়বস্তুৰ বিশেষ বৈচিত্র্য নথকা সত্ত্বেও ৰচনাৰীতিত বৈচিত্র্য আহি পৰিছে। অপ্রচলিত শব্দ ব্যৱহাৰকে ধৰি দুই এটা সাধাৰণ দোষ-ত্রুটি থাকিলেও সামগ্রিক বিচাৰত সত্যনাথ বৰাৰ গদ্যৰীতিক এক সফল গদ্যৰীতি বুলি ক'ব পাৰি। ইয়াৰ মাজত ভাল গদ্যৰীতিৰ বিভিন্ন লক্ষণ বিদ্যমান। তেওঁৰ গদ্য পৰিমিত অথচ স্পষ্ট, সৰল অথচ বৈচিত্র্যপূর্ণ, মার্জিত অথচ ৰসব্যঞ্জক। কেতিয়াবা ব্যঙ্গাত্মক ৰীতিৰে, কেতিয়াবা গহীন-গম্ভীৰ পৰিমিত প্রকাশৰীতিৰে আৰু কেতিয়াবা পোনপটীয়া হাস্যভঙ্গীৰে বিষয়বস্তু প্রকাশ কৰা সত্যনাথ বৰাৰ গদ্যৰীতিৰ মাজেৰে তেওঁৰ সংযমী ব্যক্তিত্ব, সমাজ সংস্কাৰমূলক মনোভাব, প্রখৰ চিন্তাশক্তি, সূক্ষ্ম দৃষ্টি, বক্তব্য বিষয়ৰ স্পষ্ট আৰু গভীৰ জ্ঞানৰ পৰিচয় পোৱা যায়। সত্যনাথ বৰাৰ গদ্যৰীতিৰ মাজেদি এজন সচেতন গদ্য লেখকৰ স্পষ্ট ছবি প্রতিভাত হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ সত্যনাথ বৰাৰ গদ্যৰীতিৰ বিষয়ে এটি প্রবন্ধ লিখক।
(200টা শব্দৰ ভিতৰত)



৮.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- সত্যনাথ বৰাৰ মতে পৃথিৱীত তিনি শ্রেণীৰ মানুহ আছে। এক শ্রেণীৰ মানুহ উত্তম, এক শ্রেণীৰ মানুহ অধম আৰু তৃতীয় শ্রেণীটো হ'ল কর্তব্য-অকর্তব্য নুবুজা মানুহ। এই তিনিও শ্রেণীৰ মানুহৰ বিষয়ে অধ্যায়টোত আলোচনা কৰা হৈছে।

- ব্যক্তিৰ ব্যক্তিগত জীৱনৰ বাবে, বৃহৎ এখন সমাজৰ বাবে আৰু সমগ্ৰ বিশ্বব্ৰহ্মাণ্ডৰ বাবে কৰ্তব্যৰ গুৰুত্ব অপৰিসীম। কৰ্তব্য পালনেই বিশ্বব্ৰহ্মাণ্ডৰ মেৰুদণ্ড। কৰ্তব্য পালনেই সংসাৰ যুদ্ধৰ প্ৰধান অস্ত্ৰ। কৰ্তব্যৰ মহত্ত্ব সম্পৰ্কীয় এই সকলোবোৰ কথা অধ্যায়টোত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।
- সত্যনাথ বৰাই নিৰ্মল আনন্দকে জীৱনৰ অমিয়া আখ্যা দিছে। জীৱনৰ অমিয়া কেনেদৰে লাভ কৰিব পাৰি বা কোনবোৰ মানুহ জীৱনৰ অমিয়াৰ পৰা বঞ্চিত হয় সেইসমূহ বিষয় অধ্যায়টোত সন্নিৱিষ্ট হৈছে।
- সত্যনাথ বৰাৰ গদ্যশৈলীৰ জৰিয়তে তেওঁৰ স্পষ্ট চিন্তা, মাৰ্জিত ৰুচিবোধ, সৰল ব্যক্তিত্ব, নিভাঁজ ভাষাপ্ৰীতিৰ উমান পোৱা যায়। তেওঁৰ ব্যক্তিত্বৰ প্ৰতিফলক স্বৰূপ সৰল, সংযমী, ভাৰসাম্যগুণযুক্ত গদ্যৰ শব্দ, বাক্য, প্ৰকাশভঙ্গী আদিৰ বৈশিষ্ট্যসমূহ অধ্যায়টোত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।



৮.৭ অধিক জানিবলৈ

1) বৰা, সত্যনাথ [1844 শক] ঃ *সাহিত্য বিচাৰ*, ডিব্ৰুগড় ঃ ভট্টাচাৰ্য্য এজেন্সি।
2) বৰা, সত্যনাথ [1859] ঃ *চিন্তা-কলি*, কলিকতা ঃ সাম্য প্ৰেছ।
3) বৰা, সত্যনাথ [1969] ঃ *কেন্দ্ৰসভা*, গুৱাহাটী ঃ বৰুৱা এজেন্সি।
4) বৰা, সত্যনাথ [1995] ঃ *বহল ব্যাকৰণ*, গুৱাহাটী ঃ বৰুৱা এজেন্সি।
5) বৰা, সত্যনাথ [2002] ঃ *সাৱথি*, গুৱাহাটী ঃ সুভদ্ৰা প্ৰকাশন।



৮.৮ অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্ৰশ্নৰ উত্তৰ ঃ সত্যনাথ বৰাৰ সাহিত্যসম্ভাৰৰ উল্লেখ... ...প্ৰতিখন পুথিৰ বিষয়ে আভাস দিব।

২নং প্ৰশ্নৰ উত্তৰ ঃ পৃথিৱীত তিনি শ্ৰেণীৰ মানুহ পোৱা যায়... ...সুখগ্ৰাহী, দুখগ্ৰাহী আৰু আত্মচেতনাহীন মানুহ। প্ৰতিটো শ্ৰেণীৰ বৈশিষ্ট সম্পৰ্কে আলোচনা।

৩নং প্ৰশ্নৰ উত্তৰ ঃ মনুষ্যৰ কৰ্তব্য প্ৰধানকৈ দুই ধৰণৰ— এটাই মানসিক উৎকৰ্ষ সাধে; আনটোৱে শৰীৰৰ উৎকৰ্ষ সাধে। প্ৰথম শ্ৰেণীৰ কৰ্তব্যৰ ভালেমান উপশ্ৰেণী আছে... ...প্ৰতিবিধৰে আলোচনা।

৪নং প্ৰশ্নৰ উত্তৰ ঃ কৰ্তব্যৰ গুৰুত্ব ব্যাখ্যা... ...বিশ্বব্ৰহ্মাণ্ড সঠিকভাৱে থকাৰ মূলতে হ'ল কৰ্তব্য। গ্ৰহ, নক্ষত্ৰ, আকাশ, বতাহ সকলোৱে যে নিজৰ কৰ্তব্য নিৰ্দিষ্ট কৰা আছে সেই বিষয়ে আলোচনা... ...এই কৰ্তব্যত কোনোবাই বিচ্যুতি ঘটালেযে ব্ৰহ্মাণ্ডৰ স্বাভাৱিক গতি ভাগি পৰিব সেই বিষয়ে আলোচনা।

৫নং প্ৰশ্নৰ উত্তৰ ঃ সত্যনাথ বৰাৰ শব্দ, বাক্য, অলঙ্কাৰ, অনুচ্ছেদ আদি প্ৰয়োগৰ বিষয়ে আলোচনা।



৮.৯ আৰ্হিপ্ৰশ্ন

প্ৰশ্ন ১ ঃ সত্যনাথ বৰাৰ 'জীৱনৰ অমিয়া' পাঠটোৰ মূল কথাখিনি নিজৰ ভাষাত লিখক।

প্ৰশ্ন ২ ঃ পৃথিৱীৰ কোনবোৰ মানুহৰ কাৰণে সুখবোৰ ভুৱা? এই শ্ৰেণীৰ মানুহৰ প্ৰকৃতি কেনে ধৰণৰ বুজাই লিখক।

প্ৰশ্ন ৩ ঃ সত্যনাথ বৰাই কোনবোৰ মানুহক 'পৃথিৱীৰ মঙ্গলমলয়া' বুলি অভিহিত কৰিছে?

প্ৰশ্ন ৪ ঃ উত্তম আৰু অধম শ্ৰেণীৰ মানুহবিলাকৰ বিষয়ে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ সংসাৰত উত্তম-অধমৰ বাহিৰেও আৰু কেনে ধৰণৰ মানুহ পোৱা যায়? সেই মানুহবোৰৰ স্বভাৱ সম্পৰ্কে সত্যনাথ বৰাই কি কৈছে বহলাই আলোচনা কৰক।

প্ৰশ্ন ৬ ঃ মৌ-পোকতকৈও অধম কোন উল্লেখ কৰক।

প্ৰশ্ন ৭ ঃ নিৰানন্দনাশী মহামন্ত্ৰ কি বুজাই লিখক।

প্ৰশ্ন ৮ ঃ ৰোগ আৰু আনন্দৰ সম্বন্ধ কেনে ধৰণৰ বুজাই লিখক।

প্ৰশ্ন ৯ ঃ কৰ্তব্যত ত্ৰুটী কৰিলে ইয়াৰ ফল কি হয় বহলাই লিখক।

প্ৰশ্ন ১০ ঃ "এই মন্ত্ৰ লাভ কৰিবলৈ অভিলাষ কৰিলে মহাগুৰু কৰ্তব্যত শৰণ লব লাগে।" — ইয়াত লিখকে কিয় কৰ্তব্যক মহাগুৰু বুলি অভিহিত কৰিছে বহলাই আলোচনা কৰক।

*** ***** ***